কাৰ্যালয়
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

নং- অ.উ.মা.শি.স/শৈক্ষিক/বিহু/৩০৭/২০১৯/28066 তাৰিখঃ- 22/06/2020

## জাননী

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলোলৈকে জনোৱা হ'ল যে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ২০২০-২১ শিক্ষাবৰ্ষৰ পৰা সংসদৰ শৈক্ষিক বিষয়ৰ পাঠ্যক্ৰমত 'বিহু' নামেৰে এটি নতুন ঐচ্ছিক বিষয় সংযোজন কৰিছে । অসমীয়া জাতিৰ বাপোতি সাহোন বিহুৰ শুদ্ধ ৰূপ তথা অতীজৰ পৰা বৰ্তমানলৈকে বিহুৱে কেনেকৈ বিভিন্ন ৰূপান্তৰৰ মাজেৰে আহি বৰ্তমানৰ ৰূপ লাভ কৰিলেহি সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক সম্যক ধাৰণা দিয়াৰ উদ্দেশ্যে সংসদে এই নতুন বিষয়টো সংযোজন কৰিছে । লগতে বিহু সম্পৰ্কে উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত লাভ কৰা জ্ঞানেৰে বিশ্ববিদ্যালয় সমূহত থকা পৰিবেশ্য কলা (Performing Art) বিভাগত শিক্ষা গ্ৰহণ আৰু অধিক দক্ষতা আহৰণেৰে স্বাৱলম্বী হোৱাৰ পথো যাতে বাচি ল'ব পাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে ।

২০২০-২১ শিক্ষাবৰ্ষত উচ্চতৰ মাধ্যমিক কলা শাখাৰ প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰা আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে 'বিহু' বিষয়টো ঐচ্ছিক বিষয় হিচাপে লব পাৰিব । এই বিষয়টোত তাত্বিক আৰু ব্যৱহাৰিক দুয়োধৰণৰ পাঠ্যসূচী থাকিব ।

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অন্তৰ্গত সমূহ শিক্ষা প্ৰতিষ্ঠানক তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলক নতুন বিষয়টোৰ বিষয়ে অৱগত কৰাৰ লগতে শিক্ষানুষ্ঠানৰ জাননী ফলকত জাননী দিবৰ বাবে জনোৱা হ'ল ।

বিষয় ল'ব বিচৰা শিক্ষা প্ৰতিষ্ঠানসমূহক বিষয়টোৰ খোলাৰ বাবে অনুমতি বিচাৰি সংসদৰ লগত যোগাযোগ কৰিবলৈ কোৱা হ'ল ।

সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

নং- অ.উ.মা.শি.স/শৈক্ষিক/বিহু/৩০৭/২০১৯/28066(এ) তাৰিখঃ- 22/06/2020

প্ৰতিলিপি প্ৰেৰণঃ-

১. অধ্যক্ষ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ জ্ঞাতাৰ্থে ।
২. অধ্যক্ষ, অসম মাধ্যমিক শিক্ষা পৰিষদ জ্ঞাতাৰ্থে ।
৩. অধ্যক্ষ, সমূহ উচ্চতৰ মাধ্যমিক বিদ্যালয় । উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অহা ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞাতাৰ্থে প্ৰচাৰ কৰাৰ লগতে শিক্ষা সংসদৰ লগত যোগাযোগ কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল ।
৪. অধ্যক্ষ, সমূহ মহাবিদ্যালয় আৰু চিনিয়ৰ ছেকেণ্ডেৰী স্কুল । উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অহা ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞাতাৰ্থে প্ৰচাৰ কৰাৰ লগতে শিক্ষা সংসদত যোগাযোগ কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল ।
৫. পৰীক্ষা নিয়ন্ত্ৰক, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ জ্ঞাতাৰ্থে তথা কাৰ্যকৰণাৰ্থে ।
৬. উপসচিব/সহকাৰী সচিব (পঞ্জীয়ন শাখা) ছাত্ৰছাত্ৰীৰ পঞ্জীয়নত বিষয়টো অন্তৰ্ভুক্তিৰ বাবে ব্যৱস্থা গ্ৰহণাৰ্থে ।
৭. শিক্ষা সংসদৰ সকলো বিষয়া আৰু কৰ্মচাৰীৰ জ্ঞাতাৰ্থে ।
৮. উপসচিব (আই, টি)/প্ৰগ্ৰেমাৰ, জাননীখন সংসদৰ ৱেবচাইটত প্ৰকাশৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ জনোৱা হ'ল ।
৯. কাৰ্যালয় কপি ।

সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১